# মাতৃভাষা ভাওনাৰ আহাৰ্য আৰু ইয়াৰ পৰিৱৰ্তিত ৰূপ

ডিব্ৰুগড বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাসিকৰ অসমীয়া DSE -3 (H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প ।

তত্ত্বাৱধায়ক
ডঃ স্নিগ্ধা ৰাণী ৰাভা
বিভাগীয় প্ৰধান
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
পম্পী ৰাজখোৱা
স্নাতক তৃতীয় বৰ্ষ
ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
Roll No -30810132
Registration No - S1921697

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং - 2022 বৰ্ষ

Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী পম্পী ৰাজখোৱা স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৩২) ৰ ছাত্ৰী। তেওঁ ড° স্নিগ্ধা ৰাণী ৰাভাৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"মাতৃভাষা ভাওনাৰ আহাৰ্য আৰু ইয়াৰ পৰিৱৰ্তিত ৰূপ"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী বৰগোহাঁই
বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
স্থাপিত ঃ ১৯৫৯

## প্ৰমাণ পত্ৰ

শ্ৰীমতী পম্পী ৰাজখোৱা স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং ৩০৮১০১৩২) ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE -3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে “ মাতৃভাষা ভাওনাৰ আহাৰ্য আৰু ইয়াৰ পৰিৱৰ্তিত ৰূপ” বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

Department of Assamese
Date
............

স্নিগ্ধা ৰাণী ৰাভা
তত্ত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

Scanned by CamScanner

## কৃতজ্ঞতা জ্ঞাপন


- স্নাতক ষষ্ঠ ষান্মাসিকৰ DSE - 4 কাকতৰ অন্তৰ্গত গৱেষণা পত্ৰখনৰ বিষয়ে পাঠদান কৰোঁৰা মোৰ শ্ৰদ্ধাৰ ড° মৃণালী কা গয়ুং বাইদেউ আৰু ড° দেৱ প্ৰতীম হাজৰীকা ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

- গৱেষণা পত্ৰখনৰ বিষয় নিৰ্বাচনৰ লগতে প্ৰস্তুতকৰণৰ সকলো নিৰ্দেশনা আৰু দিহা -পৰামৰ্শ প্ৰদান কৰি তাৰ ভূল - ক্ৰুটিবোৰ দেখুৱাই দি সম্পূৰ্ণৰূপে গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহযোগিতা আগবঢ়োৱা মোৰ তত্ত্বাৱধায়ক ড° স্নিগ্ধাৰাণী ৰাভা বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

- গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰতিটো সময়তে সহায় সহযোগিতা আগবঢ়োৱা সমূহ অসমীয়া বিভাগৰ  ছাৰ - বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

- মোৰ গৱেষণা পত্ৰৰ বাবে প্ৰয়োজনীয় বিষয় সন্দৰ্ভত তথ্য প্ৰদান কৰি মোক উপকৃত কৰা তথ্যদাতা সকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

- গৱেষণা পত্ৰৰ ডি.টি.পি ৰ কামত সহায় কৰা অন্তৰীপা বা আৰু নিপূৰ্ব দাদালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

- এই পত্ৰখনৰ অন্যান্য কামসমূহত সহায়ৰ হাত আগবঢ়োৱা মোৰ সহপাঠী সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

- গৱেষণা পত্ৰৰ বাবে প্ৰয়োজনীয় গ্ৰন্থসমূহৰ যোগান ধৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সমূহ কৰ্মচাৰী-বৃন্দলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

পম্পী ৰাজখোৱা


Scanned by CamScanner

# সূচীপত্ৰ

০.০০ অৱতৰণিকা
০.০১ বিষয়ৰ পৰিচয়
০.০২ বিষয়ৰ উদ্দেশ্য
০.০৩ বিষয়ৰ পৰিসৰ
০.০৪ বিষয়ৰ পদ্ধতি
০.০৫ পূৰ্বকৃত অধ্যয়ন

১.০০ মূল বিষয়ৰ আলোচনা
১.০১ শংকৰদেৱৰ ভাওনা
১.০২ নামঘৰত ভাওনা
২.০০ মাতৃভাষা ভাওনা
২.০১ মাতৃভাষা ভাওনা আহাৰ্য
২.০২ মাতৃভাষা ভাওনা আহাৰ্যৰ পৰিৱৰ্তিত ৰূপ

৩.০০ সিদ্ধান্ত

৪.০০ উপসংহাৰ

গ্ৰন্থপঞ্জী
তথ্য দাতাৰ তালিকা
আলোকচিত্ৰ

Scanned by CamScanner

০.০০ অৱতৰণিকা -

০.০১ "সংস্কৃতি" শব্দৰ সংজ্ঞা এটা সহজতে দিব পৰা নাযায়। সত্ৰীয় জীৱন চৰ্যাৰ সকলো দিশ সামৰিয়েই এই সংস্কৃতি যদিও বৰ্তমান কৃষ্টি, সংস্কৃতি আদি শব্দ সঠিক অৰ্থত ব্যৱহাৰ হোৱা দেখা নাযায়। সংস্কৃতিৰ অন্তৰ্গত এটা বিষয় হৈছে পৰিৱেশ্য কলা। অসমৰ সত্ৰসমূহৰ লোকৰ জীৱন চৰ্যা আৰু নিত্য নৈমিত্তিক সুকুমাৰ তথা অন্য শিল্প কলাকো সামৰি অধ্যাত্মসাধনৰ পন্থালৈকে সকলোখিনি কথাই শব্দটোৰ লগত জড়িত। এই সকলোবোৰৰ ভিতৰত, সত্ৰৰ পৰা ওলাই বাহিৰৰ বিভিন্ন স্তৰৰ লোকৰ মাজত অতিশয় জনপ্ৰিয় হৈ পৰা আৰু তাৰ লগত জড়িত বিবিধ শিল্প -কলা সাধনৰ পথ সাঙোৰ খাই থকা অনুষ্ঠান হৈছে -ভাওনা।

ভাওনা থলীৰ থলুৱা প্ৰণালীযুক্ত স্তিমিৰ পোহৰৰ মাজত অগ্নিগড় অতিক্ৰমী শুভ্ৰবেশেৰে তাল - খোল লৈ যেতিয়া এদল গায়ন -বায়ন অৱতীৰ্ণ হয়, তেতিয়া মনলৈ স্বাভাৱিকতে এনে এক পবিত্ৰ ভাব আহে যেন সৰগৰ পৰা সাক্ষাৎ গন্ধৰ্বসকলহে পৃথিৱীত উপবিষ্ট হৈছেহি। তেওঁলোকৰ পৰিৱেশনে পৰিৱেশ গুৰু গম্ভীৰ কৰি দৰ্শকক এক আলৌকিক জগতলৈ টানি নিয়ে। প্ৰথমেই দৃষ্টিগোচৰ হোৱা শুদ্ধ বগা সাজপাৰ , পাগুৰি বন্ধা ৰীতিৰ পৰা আৰম্ভ কৰি ভৰিৰ চুৰীয়াখনলৈকে দেখাত শুৱনি হয়। অসমীয়া ভাওনা সংস্কৃতিৰ এক ইতিহাস আছে।

Scanned by CamScanner

অসমীয়া ভাওনাৰ লগত প্ৰাক -শংকৰীৰ সৰ্ব ভাৰতীয় পৰ্যায়ত আৰু অসমত প্ৰচলিত লোক নাট্য অনুষ্ঠানৰ সাদৃশ্য আছে। এই লোকধৰ্মী নাট্যানুষ্ঠানৰ পৰম্পৰা অসমত অতি প্ৰাচীন কালৰ পৰাই অব্যাহত আছে। মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা অংকীয়া নাট বা সেই সময়ত প্ৰচলন থকা অন্যান্য লোক নাট্য ধৰ্মী অনুষ্ঠানৰ পৰা অংকীয়া নাট ভাওনা তাৰ পাছত অসমীয়া ভাওনলৈ এক দীঘলীয়া যাত্ৰ। এই দীঘলীয়া যাত্ৰাৰ পৰিক্ৰমাত ইটোৰ লগত সিটোৰ কিছু সম্পৰ্ক আছে। শংকৰদেৱৰ অংকীয়া নাটৰ সৃষ্টিৰ লগত প্ৰাচীন অসমত প্ৰচলিত লোক্যনাট্য ধৰ্মী অনুষ্ঠান যেনে -ওজাপালি,ঢুলীয়া ভাওনা,কুশান গান,পুতলা নাচ আদিৰ লগত সম্পৃক্ত হৈ আছে,তেনেদৰে অসমীয়া ভাওনাৰ সৃষ্টিৰ মূলতেও অংকীয়া নাট, বঙালী যাত্ৰা আদিৰ কথা সোঁৱৰিব লাগিব ।

অসমৰ ভাওনা পৰম্পৰাত অংকীয়া ভাওনাৰে সৰ্বাধিক প্ৰচলন থাকিলেও মহাপুৰুষসকলৰ পিছত সত্ৰানুষ্ঠানত কথিত ভাষা বা পদ্য ধৰ্মী অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ হ'বলৈ ধৰিলে। কিন্তু অসমৰ নগাঁও অঞ্চলত ব্ৰজাৱলী ভাষাৰ প্ৰচলনেই হৈ থাকিল। এই পৃথকতাৰ বাবে উজনি অসমৰ অভিনয় অংকীয়া ভাওনাৰ পৰিৱৰ্তে ভাওনা স্বৰূপেই পিছলৈ চিহ্নিত হ'ল। ফলত অংকীয়া ভাওনাৰ কিছু পৰিৱৰ্তিত ৰূপ এটাও উজনি অসমত গঢ় লৈ উঠিল।

Scanned by CamScanner

নাটকত আদ্যান্ত সূত্ৰধাৰৰ প্ৰয়োজন নোহোৱা হ'ল। নৃত্য পৰিৱেশন আৰু নান্দী শ্লোক -গীত গোৱাৰ পিছতেই অভিনয় ক্ষেত্ৰৰ পৰা সূত্ৰধাৰ একেবাৰে আতঁৰি যায়। প্ৰস্তাৱনা পৰোচনাৰ ঠাইত সূত্ৰধাৰৰ দীঘলীয়া কথা সংযোজিত হ'ল। অংকীয়া ভাওনাৰ গায়ন -বায়নৰ ধেমালি এনে অভিনয়ত থাকিলেও আটাইকেইখন ধেমালি প্ৰয়োগ নঘটে। ইয়াৰ ঠাইত গায়ন -বায়নৰ আৰম্ভণি ধৰণ,গুৰুঘাত,গুৰুবন্দনা আৰু ইশ্বৰৰ বন্দনা থাকে। আটাইখিনি কাৰ্য গায়ন -বায়নৰ দ্বাৰা হয়। যদিও ইশ্বৰ বন্দনা সূত্ৰধাৰে নৃত্য কৰাৰ পিছত গায়ন -বায়নৰ লগত সমস্বৰে গায়। সূত্ৰধাৰে কথাৰে ভাওনাৰ সামগ্ৰিক পৰিচয় দাঙি ধৰে। সূত্ৰধাৰৰ কথাত ভাওনাৰ নামাকৰণ আৰু বিষয়বস্তুৰ চমু পৰিচয় প্ৰকাশ পায়। নিজৰ কথাৰে ভাওনাৰ আৰম্ভণিতে চৰিত্ৰ প্ৰৱেশৰ ঘোষনা কৰি প্ৰস্থান কৰে।

বৰ্তমান আমি অসমীয়া ভাওনাক যি ৰূপত পাইছো, এই ৰূপটোৱে নানা গতি -প্ৰকৃতি অতিক্ৰম কৰি অহা তথা সংযোজন আৰু বিয়োজনৰ মাজেৰে পৰিৱৰ্তিত হোৱা ৰূপহে আমি লাভ কৰিছোঁ। ইয়াৰ ঐতিহ্য, পৰম্পৰা আৰু আধুনিক সংযোজনৰ ফলত হোৱা পৰিৱৰ্তনৰ দিশকেইটা অধ্যয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয়। অংকীয়া নাট,অংকীয়া নাট ভাওনা, বঙালী যাত্ৰাৰ প্ৰভাৱমুক্ত নাট,সময়ৰ পৰিৱৰ্তনৰ লগে লগে হোৱা অসমীয়া ভাওনাৰ গতি প্ৰকৃতি আৰু উদ্দেশ্যৰো যে সলনি হ'ল তাক দেখি শুনি স্বীকাৰ কৰিব পাৰি।

Scanned by CamScanner

ডঃ মণিক শইকীয়াই " মাতৃ ভাষাৰ ভাওনা ঃ ঐতিহ্য আৰু বিবৰ্তন " গ্ৰন্থত যথাৰ্থভাৱে কৈছে -

" শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টি হিচাপে নহয়, কিন্তু গুৰুজনাই ৰচনা কৰা অংকীয়াসমূহৰ অনুপ্ৰেৰণাতেই উদ্বুদ্ধ হৈ ৰচিত আৰু পৰিৱেশিত হৈ থকা এই পদ সাংস্কৃতিক উপাদানৰ সম্যক আলোচনাই গুৰুজনাৰেই মহত্ব,কৃতিত্ব আৰু প্ৰভাৱশালীতা প্ৰমাণ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ নিচিনা যুগাগ্ৰগামী মহাপুৰুষৰ কৃতি আৰু কৃতিত্বৰ প্ৰভাৱ সহজ -সৰল অনাখৰী মানুহৰ মাজলৈও কেনেকৈ বিয়পি পৰিছিল,আন নহ'লেও সেই কথাৰ উমান লবলৈকে মাতৃভাষাৰ নাট ভাওনাৰ বিষয়ে আলোচনাৰ প্ৰয়োজন। "

Scanned by CamScanner

০.০২ বিষয়ৰ উদ্দেশ্য -

অসমৰ সৰ্বতোকালৰ সৰ্বোত্তম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া নাট ভাওনা। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা নাটসমূহক 'অংকীয়া নাট' আখ্যা দিয়া হয়। মহাপুৰুষ দুজনাই তেওঁলোকে ৰচনা কৰা নাটসমূহক 'যাত্ৰা 'হে বুলিছিল। পৰৱৰ্তী কালত কোনো কোনো বৈষ্ণৱ ভকতেহে ইয়াক 'অংকীয়া নাট' বুলি নামাকৰন কৰে। ভাওনা শব্দৰ প্ৰকৃত অৰ্থ ভাও দি দেখুওৱা কাৰ্য। অংকীয়া নাটৰ অভিনয়কহে দৰাচলতে ভাওনা বোলা হয়। বৰ্তমান এনে নাটক ভাওনা বোলা হয় আৰু ৰচনা কাৰ্যক নাট -কটা বা নাট -লেখা বুলি কোৱা হয়।

যিহেতু মহাপুৰুষ শংকৰদেৱৰ নাট্য কৰ্মৰ প্ৰধান উদ্দেশ্য আছিল বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু মোক্ষ প্ৰাপ্তি। শংকৰদেৱৰ নাটৰ প্ৰথম নান্দী শ্লোকৰ পিছত সূত্ৰধাৰৰ শ্লোক আৰু সূত্ৰৰ উক্তিবোৰৰ পৰা এই কথা স্পষ্টকৈ বুজা যায়। সেই সময়ৰ নিৰক্ষৰ জনসাধাৰণে ধৰ্মৰ কথাবোৰ যাতে সহজে উপলব্ধি কৰিব পাৰে তাৰ বাবে শাস্ত্ৰ পাঠ আৰু মৌখিক উপদেশতকৈ নাট্যভিনয় অধিক ফলপ্ৰসু উপায় আছিল। সেয়ে তেওঁ সংস্কৃতিৰ দিশ লোকব্যঞ্জন আহিলা হিচাপে গ্ৰহণ কৰিছিল অংকীয়া নাটৰ প্ৰদৰ্শন অৰ্থাৎ ভাওনাক।

Scanned by CamScanner

লোক শিক্ষাৰ সহজ আৰু কাৰ্যকাৰী উপায় হিচাপে গুৰুজনাই নাট্যভিনয় পৰিকল্পনা কৰিছিল আৰু সফলো হৈছিল। ভাওনাৰ লগত সমন্ধ নথকা, আগতে ভাওনা নেদেখা সমাজখনৰ লোকসকলক শিকাই-বুজাই, নিজেই নাট কাটি, বাদ্য-যন্ত্ৰ প্ৰস্তুত, আহাৰ্য,ৰংবৰণকে আদি কৰি ভাওনা প্ৰদৰ্শনলৈকে যাবতীয় কাম -কাজ গুৰুজনাই নিজেই কৰিছিল। বৰ্তমান সময়ত গুৰুজনাৰ সৃষ্টি ভাওনাৰ পৰিৱৰ্তন হ'ল যদিও, ভাওনাই লোক সমাজত প্ৰসিদ্ধি লাভ কৰিলেও ইয়াৰ ভিতৰৰ সাৰমৰ্ম খিনিৰ সৈতে প্ৰায় লোকেই জ্ঞাত নহয়। সেয়েহে বৰ্তমান অসমীয়া সমাজত প্ৰচলিত মাতৃভাষা ভাওনাৰ আহাৰ্য সম্পৰ্কে অধ্যয়ন কৰি ইয়াক গৱেষণা পত্ৰখনৰ বিষয় হিচাপে বাচি লোৱাৰ এয়ে উদ্দেশ্য। ইয়াৰ জৰিয়তে মাতৃভাষাৰ ভাওনাৰ আহাৰ্য সম্পৰ্কে জানি থোৱাৰ এটি সুযোগ হ'ব। এই উদ্দেশ্য হাতত লৈয়েই থুলমূলকৈ হ'লেও বিষয়টোৰ ওপৰত আলোকপাত কৰা হৈছে।

Scanned by CamScanner

০.০৩ বিষয়ৰ পৰিসৰ -

ভাওনা অসমীয়া জাতিৰ স্বাভিমান, এক মহান ঐতিহ্য। যি অসমীয়া নাট্য পৰম্পৰাক সৰ্বভাৰতীয় স্তৰৰ পৰা পৃথক কৰি ৰাখিছে। গতিকে স্বাভাৱিকতেই অসমীয়া ভাওনাৰ প্ৰাসংগিকতা চিৰযুগমীয়া। অসমীয়া থলুৱা মাতৃভাষা ভাওনাৰো প্ৰাসংগিকতা আছে। অংকীয়াৰ আৰ্হিতে ৰচনা কৰা মাতৃভাষা ভাওনাৰো বহল পৰিসৰ আছে। শংকৰদেৱৰ অংকীয়া নাটকৰ সৃষ্টিৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়ত জনপ্ৰিয়তা লাভ কৰা মাতৃভাষা ভাওনালৈকে মাজত বহুখিনি কথাই বিশেষ।

ভাওনা বুলিলে অভিনয়,নৃত্য,গীত,বাদ্য,সাজ -সজ্জা, পোহৰ ইত্যাদি সমূহ বিশেষভাৱে উল্লেখযোগ্য। এই সমূহ উপাদানৰ অবিহনে কেতিয়াও ভাওনা এখন সম্পূৰ্ণ হ'ব নোৱাৰে। এখন ভাওনাৰ শ্ৰেষ্ঠতাৰ প্ৰমাণত এই উপাদানসমূহৰ গুৰুত্ব অধিক। বৰ্তমান সময়ত মনোৰঞ্জনৰ দিশত অধিক গুৰুত্ব দিয়াৰ হেতুকে এইসমূহ উপাদানৰ বিষয়ে প্ৰায় লোকেই নাজানে বা জানিবলৈ ইচ্ছা নকৰে। কিন্তু যিখিনি উপাদানে ভাওনা এখনক পৰিপুষ্ট কৰে সেই বিষয়ে জনাটো আমাৰ প্ৰতিজন অসমীয়াৰে দায়িত্ব আৰু কৰ্তব্য।

Scanned by CamScanner

সেয়েহে এই প্ৰকল্পত ভাওনাৰ সাজ -সজ্জা, আ -অলংকাৰ আৰু ৰং -বৰণ এই তিনিওটা দিশ সামৰি লৈ তথ্য আৰু অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। বিষয়টোৰ পৰিসৰৰ ক্ষেত্ৰত এই তিনিওটা দিশৰ ওপৰত আলোচনা কৰা হৈছে। ভাওনাত ব্যৱহৃত সাজসমূহৰ নাম, ভাওনাৰ কোন কোন চৰিত্ৰই কেনেধৰণৰ সাজ পৰিধান কৰে। মহিলা চৰিত্ৰৰ সাজপাৰ, ইয়াৰ পৰিচয়, ব্যৱহাৰ, তেনেদৰে আ - অলংকাৰ সমূহৰ পৰিচয়, মুখাবৰণ, ৰং-বৰণ সাধাৰণ অৰ্থত মেকআপ ইত্যাদি অন্তৰ্ভূক্ত কৰি প্ৰকল্প পত্ৰখন প্ৰস্তুত কৰা হৈছে।

শংকৰদেৱৰ দিনৰ পৰা চলি অহা ভাওনা সমূহৰ প্ৰচলন আৰু বৰ্তমান সময়লৈকে হোৱা পৰিৱৰ্তনসমূহৰ কথাও বিষয়টিত সামৰি লোৱা হৈছে। মাতৃভাষা ভাওনাৰ বৈশিষ্ট্যসমূহৰ বিষযেও উল্লেখ কৰা হৈছে।

Scanned by CamScanner

০.০৪ বিষযৰ পদ্ধতি -

প্ৰকল্প পদ্ধতি হৈছে এক সুপৰিকল্পিত আৰু সুপৰিচালিত শিক্ষা আঁচনি যাৰ যোগেদি ছাত্ৰই নিজা ক্ৰিয়া পৰিচালনা আৰু সম্পাদনা কৰি তোলে। ইয়াত উদ্দেশ্য প্ৰণোদিতভাৱে আৰু পৰ্যায় ক্ৰমে ক্ৰিয়া সম্পাদন কৰে। ইয়াৰ ফলত শিক্ষণীয় গোটেই বিষযটোৰ সামগ্ৰিক ক্ৰিয়া -অভিজ্ঞতাৰ ছবি মনত স্পষ্ট হৈ উঠিব পাৰে।

এই প্ৰকল্পটিৰ উদ্দেশ্যই যিহেতু সমাজত মাতৃভাভাষা ভাওনাৰ প্ৰসংগ উত্থাপনৰ জৰিয়তে ইয়াৰ আহাৰ্য সম্পৰ্কে অৱগত কৰোঁৱা। সেয়েহে এই প্ৰকল্পটো প্ৰস্তুত কৰোঁতে কেইবাটাও পদ্ধতিৰে বিষয়টো আলোচনা কৰা হৈছে। বিশ্লষণৰ জৰিয়তে মূল বিষয়ৰ আলোচনা কৰা হৈছে। প্ৰথম অধ্যায়টিত অৱতৰণিকা, বিষয়ৰ উদ্দেশ্য,বিষয়ৰ  পৰিচয় দিয়া হৈছে। দ্বিতীয় অধ্যায়ত মূল বিষয়ৰ কিছু আলোচনা কৰি সাজ -সজ্জা, ৰং -বৰণ, আ -অলংকাৰ ইত্যাদিৰ বৰ্ণনা দিয়া হৈছে। এই ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতি প্ৰযোগ কৰা হৈছে।

Scanned by CamScanner

ইয়াৰ উপৰিও প্ৰকল্পটোত ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ জৰিয়তে প্ৰকল্পৰ বিষয়টোৰ তথ্য, প্ৰসংগ আৰু বহুতো অজ্ঞাত কথা উদ্ঘাটনৰ বাবে বিষয়টোৰ সম্পৰ্কীয় জ্ঞান আৰু সেই বিষয়ত চৰ্চা তথা পাৰ্গত এজন ব্যক্তিৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি মাতৃভাষা ভাওনাৰ আহাৰ্য সম্পৰ্কত বিভিন্ন তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰা হৈছে।

Scanned by CamScanner

০.০৫ পূৰ্বকৃত অধ্যয়ণ -

আমি জনো যে শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাৰাজিত অংকীয়া নাটৰ বিষয়ে বহল ভাৱে পোৱা যায়। তেওঁলোকৰ শিষ্য -প্ৰশিষ্য সকলেও যি সাহিত্য বা নাট ৰচনা কৰিছে তাতো ইয়াৰ উল্লেখ পোৱা যায়। ইয়াৰ উপৰিও অন্যান্য সাহিত্যিক সকলে ৰচনা কৰা সাহিত্য,গ্ৰন্থ, ৰচনাসমূহতো ভাওনা বিষয়ক আলোচনা পোৱা যায়। ভাওনা সম্পৰ্কীয় কিছুমান মূল গ্ৰন্থত এই বিষয়ে বহল বিশ্লেষণ পোৱা যায়। ভাওনা সম্পৰ্কীয় ড০ সত্যেন্দ্ৰনাথ শৰ্মাৰ " অসমীয়া নাট্য সাহিত্য ", ড০ প্ৰহ্লাদ কুমাৰ বৰুৱাৰ " ভাওনাৰ সমীক্ষা (সম্পাদিত) ", ড০ মাণিক শইকীয়াৰ " মাতৃভাষা ভাওনা ঃ ঐতিহ্য আৰু বিৱৰ্তন ", শিৱনাথ বৰ্মনৰ " অসমীয়া সাহিত্য বুৰঞ্জী -দ্বীতীয় খণ্ড (সম্পাদিত) ", পূৰ্ণানন্দ ভূঞাৰ " শংকৰী সংস্কৃতিৰ আভাস ", কেশৱ গগৈৰ " ভাওনা সংস্কৃতি ", কমল দত্তৰ " ভাওনা ঐতিহ্য আৰু বিস্তৃতি " ড০ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ " অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি " ইত্যাদি গ্ৰন্থসমূহত ভাওনা বিষয়ে উল্লেখ পোৱা যায়।

Scanned by CamScanner

## ১.০০ মূল বিষয়ৰ আলেচনা

### ১.০১ শংকৰদেৱৰ ভাওনা ঃ

সৰ্বগুণাকৰ শ্ৰীমন্ত শংকৰদেৱে আজিৰ পৰা পাঁচশ বছৰৰ আগতেই ধৰ্ম,শিক্ষা, ভাষা-সাহিত্য,শিল্প-কলা আদি সকলো দিশতে অসমীয়া জাতিক শক্তিশালী ৰূপত গঢ় দি থৈ গৈছে। গুৰুজনাই ষোড়শ শতিকাৰ দোকমোকালিতে নৱ বৈষ্ণৱ ধৰ্মৰ পবিত্ৰ শলিতা জ্বলাই ধৰ্মীয় অন্ধবিশ্বাস আৰু কু -সংস্কাৰৰ অৱসান ঘটোৱাৰ লগতে অসমৰ জাতীয় জীৱনলৈ যি যুগান্তকাৰী পৰিৱৰ্তন আনিলে,তাৰ তুলনা পাবলৈ নাই। জগত গুৰু শ্ৰীমন্ত শংকৰদেৱে অসমৰ শিল্প সংস্কৃতি তথা ধৰ্মীয় জগতলৈ উপহাৰ দিছিল অভিনৱ সম্পদ -"ভাওনা"। গুৰু দুজনাৰ অতুলনীয় সৃষ্টি এই অংকীয়া নাট ভাওনা অসমীয়া সংস্কৃতিৰ মনোৰম সম্পদসমূহৰ অন্যতমেই নহয়, সৰ্বোত্তম কীৰ্তি।

এই ভাওনা সংস্কৃতিৰ মাধ্যমেৰে গুৰুজনাই অজ্ঞ -অনাখৰী জনতাক কৃষ্ণ ভক্তিৰ মালা পিন্ধাই বিভিন্ন ধৰ্ম তথা জাতি - উপজাতিৰে বহুধা বিভক্ত অসমীয়া সমাজখনক একত্ৰিত কৰি নামঘৰ, সত্ৰ কেন্দ্ৰিক এখনি বৰ অসমীয়া সমাজ গঢ়ি থৈ গৈছে। পঞ্চদশ শতিকাৰ শেষৰ দশকৰ পৰা ভাওনাৰ ইতিহাস পোৱা যায়।

Scanned by CamScanner

বৃহৎ অসমীয়া সংস্কৃতি তথা জাতি গঠনৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰোধা,অতুলনীয় বুদ্ধিমত্তা আৰু সৃষ্টিশীল প্ৰতিভাৰ গৰাকী শংকৰদেৱে সমসাময়িক সমাজখনক এক স্বচ্ছ পথৰ সন্ধান দিবলৈ, গাঁৱে -ভূঞে নামঘৰ, সত্ৰ স্থাপন কৰি অনাখৰী চহা সমাজক আলোকৰ পথেৰে আগবঢ়াই নিবলৈ বিভিন্ন আঁচনি হাতত লৈছিল। ইয়াৰ ভিতৰতে ভাওনা প্ৰদৰ্শনৰ কথা চিন্তা কৰি তেৰাই এলানি অংকীয়া নাট ৰচনা কৰিছিল । গুৰুজনাৰ এই আঁচনি সফলতাৰে কাৰ্যকৰী আৰু জনপ্ৰিয় কৰি তোলাত তেৰাৰ সোঁহাত স্বৰূপ মহাপুৰুষ মাধৱদেৱ আৰু পৰৱৰ্তী ভৱানীপুৰীয়া গোপাল আতা বা গোপাল দেৱ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰী ঠাকুৰ প্ৰমুখ্যে বৈষ্ণৱ নাট্যকাৰসকলৰ ভালেমান অৱদান আছে। নবৈষ্ণৱ আন্দোলনৰ মহৎ ফলশ্ৰুতি, জগত গুৰু শংকৰদেৱৰ মহান শিল্পকৃতি এই ভাওনাক তেখেতে এহাতে যিদৰে ভক্তি -আদৰ্শ প্ৰচাৰৰ মাধ্যম,এক সামাজিক কলা হিচাপে সৃষ্টি কৰিছিল,তেনেদৰেই সংগীত নাটক -নৃত্য সমন্বিতে এক ব্যঞ্জনাময় কলাৰূপে সৃষ্টি কৰি ভাওনাৰ গাঠনিটো বৰ্ণাঢ্য ৰূপত প্ৰকাশ ঘটাইছিল। সামাজিক কলা হিচাপে ভাওনাৰ মাজত নিহিত হৈ আছে সংহতি আৰু সমন্বয়ৰ আদৰ্শ। আজিও গাঁৱত ভাওনা পাতিছে বুলি ক'লে গাঁওখনৰ লগতে ইয়াৰ ওচৰ -চুবুৰীয়া অঞ্চললৈকে যি এক আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হয়,সেয়া আন কোনো মাধ্যমেই সৃষ্টি কৰিব নোৱাৰে।

Scanned by CamScanner

ভাওনা অসমৰ সৰ্বত্ৰ, অতি ভক্তিসহকাৰে আৰু পবিত্ৰতাৰে পালন কৰা হয়। মাত্ৰ ১৯ বছৰ বয়সতে ১৪৬৮ খ্ৰীষ্টাব্দত সৰ্বগুণাকৰ শ্ৰীমন্ত শংকৰদেৱে সপ্ত বৈকুণ্ঠৰ চিত্ৰপট আঁকি আজিৰ আধুনিক ৰংগমঞ্চ বা কথাছবি শিল্পৰ লেখিয়াকৈ অভিনৰ পদ্ধতিৰে 'চিহ্নযাত্ৰা' নাট মঞ্চস্থ কৰি তেৰাৰ সুবিশাল সৃষ্টি প্ৰতিভাৰ পৰিচয় দিছিল। শংকৰদেৱে নিজ হাতে তুলা পাতত হেঙুল হাইতাল অভূতপূৰ্ব মাটিৰ 'খোল' বাদ্যৰ সৃষ্টি কৰি সাত বৈকুণ্ঠত থাপি ন ধেমালি, নাট ধেমালি, সৰু ধেমালি আদি বাজনা বজায় শেষত ঘোষা ধেমালি আৰু নটা খোল একেলগে লৈ 'দেৱ ধেমালি' বজাই গীত -মাত, নৃত্য -নাট সূত্ৰৰ সুমধুৰ শব্দৰে দৰ্শকক বিস্ময়াভিভূত কৰি সাত দিন সাত ৰাতি একেৰাহে এই চিহ্নযাত্ৰা নাট মঞ্চায়ন কৰিছিল। মন কৰিবলগীয়া যে শ্ৰীমন্ত শংকৰদেৱে ১৪৬৮ চনত যি অভিনৱ নাটৰ সৃষ্টি কৰিলে,তাৰ শতাধিক বছৰৰ পাছতহে বিশ্ববন্দিত ইংৰাজ নাট্যকাৰ উইলিয়াম শ্বেইক্সপীয়েৰে তেওঁৰ নাট্য আন্দোলনৰ সূচনা কৰিছিল।

'চিহ্নযাত্ৰা' ই প্ৰথম অসমীয়া নাট্যাভিনয় আৰু জগতগুৰু শংকৰদেৱেই অসমীয়া নাট্য জগতৰ 'নাটসূৰ্য'। ড০ মহেশ্বৰ নেওগৰ ভাষাত -

Scanned by CamScanner

“ এই চিহ্নযাত্ৰাই সংগীত আৰু নাট্যকলাৰ এক অভিনৱ অধ্যায় আৰু ভাৰতীয় সংগীত আৰু নাট্য সাহিত্যৰ বুৰঞ্জীত এক নতুনত্বৰ সংযোজন।” অসমীয়া নাট্যশিল্পৰ জনক মহাপুৰুষ শংকৰদেৱে অসমত চলি থকা থলুৱা নাট্যগুণ সম্পন্ন অনুষ্ঠানৰ উপাদান বৰঙনিৰে আৰু সংস্কৃত নাটকৰ আৰ্হিত বৈশিষ্ট্যপূৰ্ণ অংকীয়া নাটৰ সৃষ্টি কৰে। এই অংকীয়া নাটৰ ক্ষেত্ৰত শংকৰদেৱৰ পূৰ্বৰে পৰা অসমত প্ৰচলিত ‘ওজাপালি’, ‘পুতলা নাচ’ আৰু ‘ঢুলীয়া ভাওঁ’ - এইকেইটা থলুৱা নাট্যগুণ সম্পন্ন অনুষ্ঠানৰ উপাদানৰ প্ৰভাৱ সুস্পষ্ট, প্ৰচাৰ ধৰ্মী হ’লেও গুৰুজনাৰ নাট্য সৃষ্টিত সাহিত্যিক গুণৰ অভাৱ হোৱা নাই। নৱৰসৰ সমাৱেশেৰে এই নাটবোৰ উচ্চাংগ সাহিত্যৰ অংশ বিশেষহে হৈছে। এই নাটকবোৰকে গুৰুজনাই ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে সৰ্বসাধাৰণৰ আগত ‘ভাওনা’ ৰূপে মঞ্চস্থ কৰিছিল। আদিৰ পৰা অন্তলৈ ভাওনাত ভক্তিৰস বিজৰিত হৈ আছে। ভগৱানৰ অপাৰ মহিমা প্ৰত্যক্ষ কৰাই তেওঁৰ প্ৰতি দৰ্শক শ্ৰোতাৰ অন্তৰত ভক্তিভাৱ জাগৃত কৰাই ইয়াৰ মূল উদ্দেশ্য। সংস্কৃতিৰ প্ৰতীক কৃষ্ণ বা ৰামচন্দ্ৰৰ দ্বাৰা দুস্কৃতিৰ বিনাশ ঘটালেহে অনাদি অনন্ত ভগৱানৰ মহিমাৰ কথা সকলো মানুহৰে বোধ্যগম্য হ’ব। লগে লগে মানুহৰ মনত ভক্তিভাৱৰ হেন্দোলনি উঠিব আৰু কৃষ্ণ বা ৰামচন্দ্ৰই সৰ্বময় কৰ্তা বুলি তেওঁৰ চৰণ ল’ব।

সেয়ে নাট হ’ল জনসংযোগ আৰু গণশিক্ষাৰ সবল মাধ্যম।

Scanned by CamScanner

১.০২ নামঘৰত ভাওনা ঃ

অসমৰ প্ৰায় প্ৰতিখন গাঁৱতেই একোটাকৈ নামঘৰ আছে। এইবোৰ সামূহিক প্ৰাৰ্থনাগৃহ আৰু ৰংগমঞ্চ। গুৰুকেইজনাৰ বছেৰেকীয়া তিথিত গাঁৱৰ নামঘৰত বাৰ্ষিক উৎসৱ হিচাপে ভাওনা সবাহ পতা হয়। নামঘৰে ভাওনা কৰাৰ স্পৃহা জন্মাই আহিছে আৰু ভাওনাই নামঘৰক সজীৱ কৰি ৰাখিছে। নামঘৰ আৰু ইয়াত পালন কৰা তিথি -পাৰ্বন, ভাওনা -সবাহ আদিৰ জৰিয়তেই গাঁওসমূহ সদ্ভাৱ সম্প্ৰীতিৰে আছে। গাঁৱত ভাওনা বুলি ক'লে নাট মেলাৰ পৰা আৰম্ভ কৰি ভাওনাৰ শেষৰ 'নাট সামৰণি' লৈকে ৰাইজৰ মাজত উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। নাট মেলা, বচন লেখা, বচন বিলোৱা, আখৰা কৰা, প্ৰয়োজন মতে নতুনকৈ গায়ন -বায়ন শিকোৱা,ৰাইজ মিলি নামঘৰটি চাফ -চিকুণ কৰি চুণ -তেল দিয়াৰ বাবে 'হজ' কৰা কাঠৰ আচবাবত ৰংচঙীয়া কাগজ লগাই ভাওনাৰ ৰজা -মহাৰজা বহিবৰ বাবে 'সিংহাসন' সজা, নামঘৰৰ ভিতৰচ'ৰাত বাঁহৰ খুঁটা পুতি ওপৰত ধনুভিৰীয়াকৈ 'চিটিকা' দি ৰাজমহলৰ আৰ্হিত সজাই পৰাই তোলা, ভাওনাৰ দিনা ৰাতি জ্বলাব লগীয়া 'ভোটা'ৰ বাবে প্ৰয়োজনীয় পুৰঠ কামোৰা য়োগাৰ কৰা, মহিলা -যুৱতীসকলে গামোচা -চেলেং, নামঘৰৰ খুঁটাত মেৰিওৱা, পিঠা -পনা, জা -জলপান তৈয়াৰ কৰা আদি বিবিধ কামেৰে গোটেই গাঁওখন ব্যস্ত হৈ পৰে।

Scanned by CamScanner

নাট এভাগ কৰাৰ কথা ওলাৱেই গাঁৱৰ ডেকাহঁতে পছন্দৰ নাট বিচাৰি বিভিন্ন গাঁৱৰ ৰাইজৰ লগত যোগাযোগ কৰে। পছন্দমতে নাটভাগ আনি অধ্যয়ন কৰি নতুনকৈ ভাল হাতৰ আখৰেৰে লিখি পেলায়। এটা ভাল দিন চাই নামঘৰত শৰাই -শলিতা দি অতি সাত্বিকভাৱে নাট মেলা হয়। যোগ্যতানুসাৰে চৰিত্ৰবোৰ ভগাই দি বচন বিলোৱা হয়। আটাইতকৈ আচৰিত কথা যে ‘ক’ ৰ চুক কেইটা চিনি নোপোৱা এজনেও এশ -ডেৰশ ঠেৰা বচন,বিলাপ,পয়াৰ, লেচাৰী,মধ্যাৱলী, পীতাম্বৰী, মুক্তাৱলী আদি সলসলীয়াকৈ উপযুক্ত স্বৰ আৰু লয়ত মাতিব পাৰে। একাগ্ৰতা,শ্ৰদ্ধা আৰু একান্ত ভক্তি ভাৱনাৰ বাবেই এয়া সম্ভৱ। নাট মেলাৰ দিনৰ পৰা সামৰাৰ দিনলৈকে এক সুমধুৰ ভক্তিভাৱে গোটেই গাওঁখনকে পবিত্ৰ কৰি ৰাখে। সন্ধ্যা নামঘৰীয়াই ডবাৰ কোব মৰাৰ লগে লগে গাঁৱৰ ৰাইজ আৰু যুৱকসকল আখৰাৰ বাবে নামঘৰত একত্ৰিত হয়। আখৰা চলি থাকোতে মূল ভাৱৰীয়া আৰু নতুনকৈ ভাও লোৱা সকলে ভাওনা ভাগত নিখুতভাৱে ভাও দিবলৈ শৰাই শলিতা দি ৰাইজৰ আশীৰ্বাদ লয়। ভক্তপ্ৰাণ লোকেও ব্যক্তিগতভাৱে শৰাই ভোগ দি আখৰাৰ অংশ লয় আৰু ভাওনাৰ পূৰ্বসন্ধ্যা ‘গন্ধোৎসৱ’ পাতে।

Scanned by CamScanner

গায়ন -বায়ন, সূত্ৰধাৰ, ভাৰবীয়া,ভকত বৈষ্ণৱকে ধৰি সমূহ গাঁওবাসী উপবাসে থাকে। ভাওনাৰ দিনা প্ৰাতঃ প্ৰসংগ, মধ্যাহ্ন প্ৰসংগ আৰু বিয়লি প্ৰসংগ বা সান্ধ্যা প্ৰসংগৰ আয়োজন কৰা হয়। ভাওনা উপভোগ কৰিবলৈ একাধিক গাঁৱৰ খেল বা প্ৰাথমিকক আনুষ্ঠানিকভাৱে গুৱা -পাণেৰে আমন্ত্ৰণ জনোৱা হয়। আমন্ত্ৰিত খেলৰ সহযোগত  সান্ধ্যা প্ৰসংগ কৰা হয় আৰু সান্ধ্যা প্ৰসংগৰ পাছতেই ভাওনা ভাগৰ মূল কাৰ্যসূচী আৰম্ভ কৰা হয়। গায়ন -বায়ন জোৰা আৰম্ভ হোৱাৰ প্ৰাক্-মুহূৰ্তত কাঠৰ নিৰ্মিত ধনুভিৰীয়া 'অগ্নিগড়'ত নটি প্ৰজ্বলিত বনিতি নবিধ মুখ্য ভক্তিৰ প্ৰতীক জ্বলোৱা হয়। ইয়াক ভক্তি -প্ৰদীপ বুলি কোৱা হয়। এখন শুদ্ধ বগা কাপোৰ দুজন ভকতে অগ্নিগড়ৰ দুইফালে ধৰি থাকে। মূল গায়নৰ দ্বাৰা শ্লোক গায় লয়লাস গতিৰে গায়ন -বায়ন জোৰা অগ্নিগড়ৰ তলেদি আহি ৰংগমঞ্চত প্ৰৱেশ কৰে। বগা আঁৰ কাপোৰখন মায়াৰ প্ৰতীক। এই আঁৰ বা মায়া অতিক্ৰম কৰি বিশুদ্ধ ভক্তিমাৰ্গত উপনীত হোৱাৰ প্ৰতীকৰূপে এই বগা আঁৰ কাপোৰখন লোৱা হৈছে। জোৰা প্ৰৱেশৰ লগে লগে দুগৰাকী লোকে দুডাল শকত প্ৰজ্বলিত 'আৰিয়া' ধৰি আহে। এই আৰিয়া দুডাল দুবিধ মুখ্য ভক্তিৰ প্ৰতীক।

Scanned by CamScanner

গায়ন -বায়ন জোৰাই নামঘৰত প্ৰৱেশ কৰি সাত পাক মাৰি সপ্ত বৈকুণ্ঠ নমাই। গুৰুজনাৰ অনবদ্য সৃষ্টি গায়ন -বায়ন জোৰা নান্দনিক বৈশিষ্ট্যৰে ভৰপূৰ। গায়ন -বায়নে ভাওনা এভাগত গুৰুঘাট আৰু সুকীয়া ৰাগ-ৰাগিনী আৰু তালৰ আধাৰত সৰু ধেমালি, বৰ ধেমালি,ঘোষা ধেমালি আদি কেইবাখনো ধেমালি পৰিৱেশন কৰিব লাগে। প্ৰতিখন ধেমালিৰে পদ সঞ্চলনা যথেষ্ট আমোদজনক। গায়নৰ বাঁওহাতে বায়ন থাকে। গায়ন -বায়নৰ জোৰা খোল আৰু তালৰ নৃত্যমূলক অনুষ্ঠান।চালে চকু- ৰোৱা আৰু মন পৰশা। অসমৰ প্ৰতিখন গাঁও আৰু সত্ৰতে গায়ন -বায়নৰ সৃষ্টি ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যই কৰিছিল। ভাওনা আৰম্ভ, সূত্ৰধাৰ, ভাৱৰীয়াৰ প্ৰৱেশ, নৃত্য -গীত, অভিনয় আদি কামত গায়ন -বায়ন নহ'লেই নহয়। নাট মেলাৰ পৰা সামৰাৰ দিনলৈকে খোল -তালৰ শব্দৰে গাঁওখন ৰজনজনাই থাকে। সৰ্বগুণাকৰ শংকৰদেৱে নিজা চিন্তা -চৰ্চাৰে উদ্ভাৱন কৰা গায়ন -বায়নৰ জোৰা অসমীয়া সমাজ জীৱনৰ অমূল্য সম্পদ।

Scanned by CamScanner

## ২.০০ মাতৃভাষা ভাওনা ঃ

মাতৃভাষাৰ ভাওনাৰ নাট সাধাৰণতে অংকীয়া নাটৰ আৰ্হিত ৰচনা কৰা। কেৱল নাটৰ ভাষা অংকীয়া নাটৰ ব্ৰজাৱলী ভাষাৰ পৰিৱৰ্তে বিশুদ্ধ অসমীয়া ভাষা হয়। ভাওনাৰ জনপ্ৰিয়তাৰ বৃদ্ধিৰ পৰিপেক্ষিতত অধিক নাটকৰ প্ৰয়োজন হোৱাত এই মাতৃভাষাৰ ভাওনাৰ নাটৰ সৃষ্টি হয়। লগতে ৰজা - ঘৰৰ পৰা আৰম্ভ কৰি সকলো শ্ৰেণীৰ লোকক আকৰ্ষণ কৰিবলৈ তথা জনসাধাৰণক ভাওনা মাধ্যমেৰে আৰু অধিক মনোৰঞ্জন দিবলৈ অষ্টাদশ শতিকাৰ আগভাগত এই শ্ৰেণীৰ নাট ভাওনাৰ ৰচনা আৰম্ভ হয়। সেয়েহে, যদিও অংকীয়া নাটৰ আৰ্হিত এই নাটসমূহৰ ৰচনা তথাপি অংকীয়া নাটৰ সকলো ক'লা কৌশল বা ৰীতি -নীতি এই মাতৃভাষাৰ ভাওনাত দেখা নাযায়। আনহাতে, অংকীয়া নাটসমূহ ৰচনা হৈছিল ব্ৰজাৱলী ভাষাত। যি ভাষা সকলোৰে বোধ্যগম্য নহয়। সেয়েহে, বহল কথিত ভাষাত ৰচিত মাতৃভাষাৰ ভাওনাৰ নাট সমূহ হ'ল এক প্ৰকাৰৰ সৰলীকৃত ৰূপ।

### মাতৃভাষা ভাওনাৰ বৈশিষ্ট্য ঃ

মাতৃভাষা ভাওনাৰ কাহিনী সাধাৰণতে ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদিৰ পৰা লোৱা।

Scanned by CamScanner

দ্বীতীয়তে, আধ্যাত্মিক আৰু তাত্বিক ভাৱক জনমানসত প্ৰচাৰ কৰাতকৈ মাতৃভাষা ভাওনাসমূহত মনোৰঞ্জনৰ দিশত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়।

তৃতীয়তে, মাতৃভাষা ভাওনাত যুদ্ধ -বিগ্ৰহ,হত্যা -বধ আদিৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়।

চতুৰ্থতে, মাতৃভাষা ভাওনাৰ নাটত ঘটনাৰ উপস্থাপন আৰু চৰিত্ৰ সৃষ্টিৰ ওপৰত কোনো বিশেষ মৌলিকতা দেখা নাযায়।

পঞ্চমতে, মাতৃভাষা ভাওনাৰ নাটত নান্দী শ্লোক আৰু কাহিনী বৰ্ণনা শ্লোক সম্পূৰ্ণ ৰূপত পোৱা নাযায়। কোনো কোনো নাট্যকাৰে নান্দী শ্লোকৰ প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিলেও সৰহ সংখ্যক নাটকতেই অনুকৰণ অথবা অৰ্থ নিমিলা দেখা যায়।

ষষ্ঠতে, দেখা যায় যে বেছিভাগ মাতৃভাষা ভাওনা নাটেই পূৰ্ববৰ্তী নাট্যকাৰ সকলৰ ৰচনাৰ অনুকৰণ।

সপ্তমতে, ভাওনাত ব্যবহৃত অন্যতম মুখ্য উপাদান নৃত্যৰ প্ৰয়োগ মাতৃভাষা ভাওনাত দেখা নাযায়। নাটৰ আৰম্ভণিতে সূত্ৰধাৰ নৃত্যৰ প্ৰয়োগ হয় যদিও, নৃত্যটিৰ আধ্যাত্মিক ভাৱ আৰু ব্যৱহাৰিক ভাৱক সম্পূৰ্ণৰূপে ব্যাঘাত হনা হে এই শ্ৰেণীৰ নাটৰ বৰ্তমান পৰিলক্ষিত হয়।

Scanned by CamScanner

অষ্টমতে, অংকীয়া নাটৰ ভাওনাৰ মুখ্য চৰিত্ৰ সূত্ৰধাৰৰ মাতৃভাষা ভাওনাৰ নাটৰ ভূমিকা একেবাৰে নগণ্য। নাটৰ কাহিনী উপস্থাপন কৰি শেষলৈকে আগবঢ়াই নিয়াত সূত্ৰধাৰৰ একো কৰণীয় দেখা নাযায়।

নৱমতে, গীত,মাতৰ ক্ষেত্ৰত বৰ্তমান মাতৃভাষাৰ ভাওনা সমূহত কোনো ধৰা বন্ধা ৰাগ তাল বা ৰীতি -নীতি দেখা নাযায়। আনহাতে, বহুৱা বা তেলে কৌতুক চৰিত্ৰ প্ৰয়োগ কৰি লঘু হাস্যৰস সৃষ্টি কৰা মাতৃভাষা নাট ভাওনাসমূহৰ অন্যতম বিশেষত্ব।

মাতৃভাষা ভাওনাৰ নাটৰ ভাষা যদিও অসমীয়া তথাপি সূত্ৰধাৰ চৰিত্ৰটিত ব্ৰজাৱলী ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও নাটৰ সংলাপ সমূহত ভাষাৰ গাম্ভীৰ্যতা অতি কম।

## ২.০১ মাতৃভাষা ভাওনাৰ আহাৰ্য ঃ

সাধাৰণতে আহাৰ্য বুলি ক'লে ভাওনাৰ সাজ -সজ্জা খিনিকে বুজা যায়। বিশেষকৈ ভাৱৰীয়াৰ সাজ -পোছাক, মুখত সনা ৰং আৰু মুখা। ভাওনাৰ বিভিন্ন চৰিত্ৰসমূহৰ বিভিন্ন সাজ -পোছাক, চৰিত্ৰ বিশেষে মুখৰ ৰং -বৰণৰ আকৃতি আৰু কিছু কিছু চৰিত্ৰই ব্যৱহাৰ কৰা মুখা সমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

Scanned by CamScanner

সূত্ৰধাৰৰ সাজ ঃ - সূত্ৰধাৰীৰ মূল পৰিচয় হৈছে মূৰত ব্যৱহাৰ কৰা পাগটো। ইয়াক সূত্ৰধাৰী পাগ বোলে। তলৰ অংশ কাণৰ ওপৰে আৰু কপালৰ অংশ ঢাকি লিপিত খাই পৰে। ওপৰ অংশটোৰ নক্সা গায়নৰ পাগুৰি এটাৰ আগটো পাচ কৰি দিলে যেনে হ'ব তেনে ধৰণৰ, অৰ্থাৎ পিছ অংশটো পাছলৈ জোঙাকে বাঢ়ি যোৱা। ই চাৰ্জেদাৰ আৰ্হিৰ কোষাপটীয়া সাঁচৰ টুপিৰ দৰে। ইয়াৰ ওপৰভাগ শিৰৰ আগৰ পৰা পাছলৈ খাল পৰি দুই কাষ সিৰ পাতি থিয় হয়। কাণত উণ্টি, হাতত গামখাৰু, ভৰিত জুনুকা আৰু ডিঙিত মতা - মণি পিন্ধাৰ নিয়ম। শুদ্ধ বগা কপাহী কাপোৰৰ লহঙাৰ কঁকাল অংশত ধুতি বা ঘূৰি পিন্ধি বগা ৰঙৰ কপাহী টঙালী তললৈ ওলমাই বন্ধা হয়। কোচ দিয়া হাতত দীঘল চোলা কঁকালৰ কিছু তললৈকে পেলাই পিন্ধে। গাত সূত্ৰধাৰী কাপোৰখন দীঘলে দীঘলে জাপি আগফালে দুই মূৰ টঙালিৰ দৰে তলেদি আঁঠুলৈকে ওলমাই পিছফালৰ অংশটো পিঠিৰ মাজ মানতে শেষ কৰা হয়। টুপিৰ আগ অংশত এটি কল্কা সংযোগ কৰা হয়।

গায়ন - বায়নৰ সাজ ঃ - গায়ন - বায়নৰ পিন্ধনত বগা ধূতি বা ঘূৰি, হাত গেঞ্জী, পাঞ্জাবী, চেলেং চাদৰ আৰু মূৰত বগা পাগ থাকে। কিছুমান সত্ৰ বা নামঘৰত মোগলাই বগা পাগো ব্যৱহাৰ কৰে।

Scanned by CamScanner

ৰামৰ সাজ ঃ - ৰামৰ চৰিত্ৰৰ বাবে গা আৰু হাতত নীল, হালধীয়া ৰং মিশ্ৰিত অনুলেপন সানি কপালত দীঘলীয়া ফোট, পিন্ধনত গেৰুৱা বা হালধীয়া ধুতি আৰু ৰঙীন চেলেং চাদৰ। হাত আৰু বাহুত বাজু, ভৰিত কিংকিনি থাকে।

কৃষ্ণ আৰু বলৰামৰ সাজ ঃ - কৃষ্ণ আৰু বলৰামৰ ক্ষেত্ৰত কৃষ্ণক গেৰুৱা -হালধীয়া ধূতি, গাত গেঞ্জী ( কিছু ক্ষেত্ৰত পিন্ধা দেখা নাযায়), পিঠিয়া আৰু বুকুৰফালে বকুৰা, গাত ৰঙীন চেলেং চাদৰ, কঁকাল বান্ধনী, মুখ -হাতত বগা, হালধীয়া আৰু কিছু নীল মিশ্ৰণ কৰি প্ৰস্তুত কৰা অনুলেপন, কপালত দীঘলীয়া ফোট, হাত আৰু ভৰিত বাজু, মণি মুকুটা সজোৱা ৰাজকীয় পোছাক, ভৰিত জুনুকা বা নূপুৰ। কঁকালত বান্ধনী, ৰঙীন শাৰী, ডিঙিত মণি মুকুতাৰ মালা আৰু ফুলৰ মালা, মূৰত কীৰিত বা মুকুট।

ভীমৰ সাজ ঃ - ভীমত মূৰত বাৰ্বি, গাত গাঁঠি চোলা, মাণিক -মুকুটা লগোৱা পোচাক, ককাঁল বান্ধনী, পিন্ধনত ৰঙীন শাৰী, হাত -বাহুত বাজু, ডিঙিত ৰাজকীয় মালা বা মণি।

Scanned by CamScanner

ঋষি মুনিৰ সাজ ঃ - ঋষি মুনিসকলৰ মূৰত জঁটা, মুগা -ক'লা বৰণৰ, গাত অনুলেপন, হালধীয়া ধূতি, হালধীয়া চেলেং চাদৰ, হাতত ডিঙিত মালা, কপালত চন্দনৰ দীঘল ফোট, হাতত কমণ্ডলু, চিমতা কিছুমানে জঁটাতো ফুলৰ মালা পিন্ধা দেখা যায়।

অসুৰ আৰু অসুৰৰ সেনা -মন্ত্ৰীৰ সাজ ঃ - অসুৰ আৰু ৰজা -মন্ত্ৰীসকলৰ মণি -মুকুটা খটোৱা ৰাজকীয় জাক -জমক পোছাক, হাতত গদা, ত্ৰিশূল বা অন্য অস্ত্ৰ,ককাঁল বান্ধনী, ডিঙিত মণি, হাত বাহুত বাজু, মূৰত দীঘল চুলি আৰু কীৰিতি মুকুট, চকুৰ পতাত ৰঙা ৰাংপতা বা ৰং, কপালত ক'লা ৰংৰ বৃহৎ ফোট আৰু কিছুমান অসুৰে গাত অনুলেপন সানি, হাতত তৰোৱাল লৈ প্ৰৱেশ কৰে, পিন্ধনত ৰঙা শাৰী।

ৰাক্ষস -ৰাক্ষসীৰ সাজ ঃ - পিন্ধনত গাত ক'লা বা ৰঙীন জলম, মুখ, মূৰত আউলী -বাউলী চুলি, পিন্ধনত সুবিধা অনুযায়ী ৰঙা শাৰী, হাতত দীঘল নখ, ভৰিত জুনুকা আৰু কাণত কুণ্ডল বা মণি পিন্ধে।

Scanned by CamScanner

মহিলা চৰিত্ৰৰ সাজ ঃ - পুৰুষেই স্ত্ৰীসুলভ সাজ -পোছাক পিন্ধি স্ত্ৰী -ভূমিকাত অৱতীৰ্ণ হয়। ৰিহা - মেখেলা সৰ্বসাধাৰণ স্ত্ৰী -চৰিত্ৰৰ প্ৰধান সাজ। বৰ্তমান সময়ত ৰঙীন ফুলামী সাজ পৰিধান কৰা দেখা যায়। ডিঙিত সোণৰ হাৰ, হাতত খাৰু, মূৰত কৃত্ৰিম দীঘল চুলি, খোপা, কপালত সেন্দুৰ ফোট আদি। অনাবৃত অংগবোৰত প্ৰয়োজন হ'লে শুকুলা ৰং সানি স্ত্ৰী ভূমিকা গ্ৰাহী পুৰুষজনক সৰ্বাঙ্গ -সুন্দৰ কৰি তুলিবলৈ চেষ্টা কৰা হয়। সাধাৰণতে লাহী লাৱনী দেহাৰ, কোমল মিঠা মাতৰ আৰু দেখাত সুন্দৰ পুৰুষক স্ত্ৰী ভূমিকা দিয়া হয়। কোনো উচ্চমৰ্য্যাদা সম্পন্ন স্ত্ৰী ভূমিকাত যেনে -সীতা, দ্ৰৌপদী আদিয়ে ঘূৰিৰ নিচিনা এবিধ পোছাকো পৰিধান কৰিব লাগে, ইয়াৰ নাম লহঙা। বিভিন্ন সুগন্ধি তেল -সেন্দুৰ আৰু ৰং বিৰঙ প্ৰাসাধন সামগ্ৰীয়ে স্ত্ৰী -ভূমিকাৰ সাজ সজ্জাত জেউতি চৰায়।

ৰং বৰণৰ ক্ষেত্ৰত ক'বলৈ গ'লে মাতৃভাষা ভাওনাত বৰ্তমান সময়ত কৃত্ৰিমভাৱে প্ৰস্তুত কৰা বিভিন্ন ৰং সমূহকেই ব্যৱহাৰ কৰা দেখা যায়। চৰিত্ৰ অনুযায়ী মুখত সেই আকৃতিৰ মেক -আপ কৰা হয়। কাজল, সেন্দুৰ, বিভিন্ন সুগন্ধি দ্ৰব্য ইত্যাদি ব্যৱহাৰ কৰা হয়।

Scanned by CamScanner

ভাওনাৰ কিছু কিছু চৰিত্ৰৰ ক্ষেত্ৰত আমি মুখা ব্যৱহাৰ কৰা দেখিবলৈ পাওঁ, মুখা কেইবা ধৰণৰ আছে। চৰিত্ৰ অনুযায়ী মুখাসমূহ প্ৰস্তুত কৰা হয়। যেনে - গৰুড় পখী, জটায়ু পখী, কালীনাগ, হনুমান, নৰসিংহ, ব্ৰহ্মা, হৰিণ আদি। সেইদৰে দশানন ৰাৱণৰ মুখা, অন্যান্য ৰাক্ষসৰ মুখা, বহুৰূপীৰ মুখা ইত্যাদি। কিছুমান মুখা কেৱল মুখমণ্ডলৰ বাবে লোৱা হয়। যিয়ে গোটেই চৰিত্ৰটোৰ হুবহু ৰূপটো ফুটাই তুলে।

সাধাৰণতে বাঁহ আৰু কাগজেৰে মুখা প্ৰস্তুত কৰা হয়। মুখাক পৰম্পৰা গতভাৱে তিনিটা ভাগত ভাগ কৰা হয়। বৰমুখা বা ছোঁ -মুখা, লোটোকৰী মুখা বা চুটি ছোঁ মুখা আৰু মুখ মুখা। বৰমুখাত অভিনয় কৰোঁতা জন মুখাৰ ভিতৰত সোমাই অভিনয় কৰে। চুটি মুখা বৰমুখাতকৈ অলপ সৰু। আনহাতে মুখ মুখা কেৱল মুখমণ্ডল আৱৰি থাকে।

এই মুখাসমূহ থলুৱাভাৱে উৎপন্ন হয়। যেনে - বাঁহ, বেত, কপাহী কাপোৰ, গোবৰ, কুমাৰ মাটি, কুঁহিলা, মৰাপাট আদিৰ পৰা প্ৰস্তুত কৰা হয়।

Scanned by CamScanner

অংকীয়া নাট তাৰ পিছত অংকীয়া ভাওনা আৰু অসমীয়া মাতৃভাষা ভাওনালৈ যি সাংস্কৃতিক যাত্রা সেয়া পৰিৱৰ্তনৰ মাজেৰে গঢ় লোৱা ক্রমবিকাশৰ ৰূপ বুলি ক'ব পাৰি। পৰৱিৰ্তন প্রয়োজনীয়, কিন্তু মূল সুঁতিৰ পৰা আঁতৰি আহি হোৱা পৰিৱৰ্তন জনসাধাৰণ তথা শ্রোতা দর্শকৰ বাবে গ্রহণযোগ্য নহয়। কিয়নো এই বহুমূলীয়া সম্পদৰ লগত সংপৃক্ত হৈ আছে মহাপুৰুষ দুজনাৰ মহৎ উদ্দেশ্য।

ভাওনাৰ আহাৰ্যাভিনয়ৰ ক্ষেত্ৰত বহুখিনি পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। অভিনেতাসকলে সাজ - পোছাক, মুকুট, কিৰিটী, নাইবা অস্ত্র আদি বাহিৰৰ পৰা আহৰণ কৰি লোৱা যিসমূহ সামগ্ৰী ব্যৱহাৰ কৰি অভিনয় প্রদর্শন কৰে সেই সমূহকে আহাৰ্য বোলা হয়।

অসমীয়া ভাওনাত ৰং বৰণ তুলিবলৈ অথবা আধুনিক ভাষাত মেক -আপ কৰিবৰ কাৰণে ব্যৱহৃত চাৰিটা উপাদান হ'ল - হাইতাল, নীল, সেন্দুৰ আৰু খৰীমাটী বা চল। এইবিলাকত প্রত্যেকটিৰে স্বভাৱজ বৰণ আছে। ওপৰৰ উপাদান কেইটাৰ স্বভাৱজ বৰণ ক্ৰমে - হালধীয়া, নীলা, ৰঙা আৰু বগা।

Scanned by CamScanner

বৰ্তমান এই উপাদান সমূহক উন্নত মানৰ কৰি আধুনিকীকৰণ কৰা হৈছে। ইয়াৰ কাৰণ দুটা। প্ৰথম, পূৰ্বৰ ৰং বৰণ তৈয়াৰ কৰা কেঁচা সামগ্ৰী বা আন উপাদানৰ অভাৱ। দ্বীতীয়তে, আধুনিক ৰং ব্যৱহাৰ কৰি এজন ভাৱৰীয়াক দৰ্শকৰ বাবে অধিক মনোৰঞ্জক কৰি তুলিব পাৰি। বৰ্তমান ভাওনাসমূহত ভাৱৰীয়াসকলক ৰং - বৰণ লগাই সজাই -পৰাই তোলাৰ বাবে পেছাদাৰী দল থাকে আৰু এখন ভাওনাৰ বাবে নিমন্ত্ৰিত দলটোৱে প্ৰয়োজনীয় ৰং তুলি আদি লৈ আহে।

২.০২ মাতৃভাষা ভাওনাৰ আহাৰ্যৰ পৰিৱৰ্তিত ৰূপ ঃ ভাওনা আহাৰ্যাভিনয় দিশটোৰ লগত জড়িত থকা মুকুট, দেৱতা আৰু দানৱৰ মুখা, জীৱ জন্তুৰ মুখা ব্যৱহাৰ আদিৰ ক্ষেত্ৰত যি পৰিৱৰ্তন পৰিলক্ষিত হৈছে সেই পৰিৱৰ্তনে অসমীয়া ভাওনা সংস্কৃতিক অধিক জনপ্ৰিয়তাৰ দিশে আগবঢ়াই লৈ গৈছে বুলি ক'ব পাৰি। এই আহাৰ্যভিনয়ৰ ক্ষেত্ৰত মূল জুমুঠিটো একে ৰাখি প্ৰয়োজন আৰু সময় -সুবিধা সাপেক্ষে পৰিৱৰ্তন ঘটোৱা হৈছে। কেতবোৰ উন্নত প্ৰয়োগ কৰা হৈছে। কিছু কিছু ক্ষেত্ৰত বৰ্তমান যুগৰ লগত খাপ খুৱাই বৈজ্ঞানিক তথা প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগৰ মাজেৰে হোৱা পৰিৱৰ্তনৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।

অসমীয়া মাতৃভাষা ভাওনাত মূল অংকীয়াৰ পৰা বহুখিনি আঁতৰি আহিছে। ইয়াৰে কেতবোৰ পৰিৱৰ্তন বুলি, নকৈ বিৱৰ্তন বোলাহে উচিত হ'ব।

Scanned by CamScanner

এনে বিৱৰ্তনে অসমীয়া ভাওনা সংস্কৃতিক পোহৰৰ দিশে আগবঢ়াই নিলে। মূল সোঁতিটো একে ৰাখি যি আধুনিকতাৰ ৰহন সানিছে সি ভাওনা সংস্কৃতিৰ অনুশীলনত ব্যাঘাত জন্মোৱা নাই। কিন্তু প্ৰতিটো বস্তুৰে ইতিবাচক আৰু নেতিবাচক দিশ থাকে। উদাহৰণস্বৰূপে বাদ্যযন্ত্ৰ আৰু পোহৰৰ নতুন সংযোজনে অসমীয়া মাতৃভাষা ভাওনাক মূলত আঘাত নকৰাকৈ প্ৰচাৰ -প্ৰসাৰ ঘটাব পাৰিছে। লগতে আহাৰ্যাভিনয়ৰ দিশতো পৰিৱৰ্তনতকৈ বিৱৰ্তন হোৱাহে পৰিলক্ষিত হৈছে। অৰ্থাৎ বৰ্তমান মাতৃভাষা ভাওনাত উন্নত মুখাৰ ব্যৱহাৰ অধিক আকৰ্ষণীয় আৰু মনোৰঞ্জক হৈছে।

গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাঁওতে কিছুমান তথ্যৰ প্ৰয়োজন হৈছিল। যিবোৰ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে লাভ কৰিছিলো। ক্ষেত্ৰ অধ্যয়নত তথ্যদাতা জনে মাতৃভাষা ভাওনাৰ আহাৰ্য সম্পৰ্কে বহুতো প্ৰয়োজনীয় তথ্য দিছিল। ইয়াৰ লগতে আধুনিকতাৰ অভাৱে কেনেদৰে ভাওনাক সলনি কৰিলে, ইয়াৰ পৰিৱৰ্তন তথা বিৱৰ্তনসমূহৰ কথাও অৱগত কৰিলে।

Scanned by CamScanner

৩.০০ সিদ্ধান্ত

(ক) ভাওনা সম্পৰ্কে হোৱা এনেধৰণৰ চৰ্চাই আমাক এই সংস্কৃতিৰ প্ৰতি আগ্ৰহী আৰু শক্তিশালী কৰিছে।

(খ) আমি উপলব্ধি কৰিব পাৰিছো যে অসমৰ ভাওনা কেৱল মনোৰঞ্জন তথা ভক্তি পথৰ মাধ্যম নহয়। ই অসমৰ গতিশীল স্তম্ভ।

(গ) বিভিন্ন স্থানত অনুষ্ঠিত মাতৃভাষা ভাওনাৰ প্ৰতিযোগিতাই নীতিবদ্ধ পৰিৱেশনৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিছে।

(ঘ) ভাওনাৰ চৰ্চা আৰু পৰিৱেশনে গুৰুজনাক সন্মান যঁচা আৰু ভৱিষ্যত প্ৰজন্মক ইয়াৰ সৈতে চিনাকী তথা উপস্থাপন কৰাই দিয়াৰ এক প্ৰয়াস হ'ব।

Scanned by CamScanner

সম্পতি ইয়াৰ লগত সকলো পৰ্যায়ৰে ব্যক্তিক জড়িত কৰিলে মাতৃভাষা ভাওনাৰ প্ৰতিযোগিতা সমূহে। এই প্ৰতিযোগিতাত ভাওনাত গায়ন -বায়ন, অভিনয়, ৰূপসজ্জাৰ লগত বহু লোক জড়িত হৈ পৰিছে। একেদৰে এই সম্পৰ্কীয় লিখা -মেলা কৰা ব্যক্তিসকল, ভাওনা পৰিচালনা, ভাওনা আয়োজন, প্ৰতিযোগিতাৰ বিচাৰক হিচাপেও বহুতো লোক জড়িত আছে।

উল্লেখযোগ্য যে যোৰহাট জিলাৰ ভাওনাৰ সৈতে জড়িত বহু সংখ্যক ব্যক্তিৰ উদ্যোগ আৰু সহযোগিতাত যোৰহাট জিলাত প্ৰথমখন জিলা ৰূপে যোৰহাট জিলা ভাওনা সন্মিলন গঠন হৈছে। পৰৱৰ্তী সময়ত আন কেইবাখনো জিলাত এনে সমিতি গঠন হৈ উঠিছে। এইসমূহৰ যোগেদি মাতৃভাষা ভাওনাৰ প্ৰসাৰ আৰু চৰ্চাই এই সময়ত ব্যাপক ৰূপ লাভ কৰিছে।

Scanned by CamScanner

## গ্ৰন্থপঞ্জী



দেৱগোস্বামী, ড০ কেশৱানন্দ : অংকীয়া ভাওনা
বনলতা প্ৰকাশন

বৰুৱা,ড০ ৰোহিনী কুমাৰ : অসম দৰ্পণ
অসম প্ৰকাশন পৰিষদ
প্ৰথম প্ৰকাশন : ২০১৫

ভট্টাচাৰ্য, ড০ শ্ৰীহৰিচন্দ্ৰ : অসমীয়া নাট্য
সাহিত্যৰ জিলিঙনি
লয়াৰ্ছ বুক ষ্টল
প্ৰথম প্ৰকাশন : ২০১৬

মহন্ত, ড০ পোনা : শংকৰদেৱৰ নাট ভাওনা
বান্ধৱ প্ৰকাশন ১০১৭

শৰ্মা, ভূপেন : মনপুৰ মৌচন্দা
প্ৰকাশন : কলিয়াবৰ আদৰণি সমিতি,
অসম সাহিত্য সভা, ২০১৫

Scanned by CamScanner

## তথ্য দাতাৰ তালিকা

নাম ঃ শ্ৰীযুত মহেন্দ্ৰ বৰা।
ঠিকনা ঃ এলেঙ্গী সত্ৰ।
বয়স ঃ ৮০ বছৰ।
জীৱিকা ঃ কৃষক।

নাম ঃ নিতুল ৰাজখোৱা।
ঠিকনা ঃ মোহনাটিং বৰুৱাবাৰী ।
বয়স ঃ ৪৫ বছৰ।
জীৱিকা ঃ বায়ন, কৃষক।

নাম ঃ শ্ৰী প্ৰবাল শইকীয়া।
ঠিকনা ঃ কাৰলি বাৰি গাঁও।
বয়স ঃ ২৯ বছৰ।
জীৱিকা ঃ ব্যৱসায়।

Scanned by CamScanner





চিত্ৰ : গায়ন - বায়ন

Scanned by CamScanner




চিত্ৰ : সূত্ৰধাৰ



চিত্ৰ : ভাৱৰীয়া

Scanned by CamScanner



চিত্ৰ : ৰং-বৰণ তোলা (মেক-আপ)




চিত্ৰ: ভাওনাত ব্যৱহৃত মুখা

Scanned by CamScanner